

জীৱনত উন্নতি কৰাৰ লগে লগে যিটো বিষয়ক আটাইতকৈ মূল্য দিয়া উচিত সেইটো হৈছে নম্ৰতা।
—লাল বাহাদুৰ শাস্ত্ৰী


# দৈনিক জনমভূমি

৫৪ সংখ্যক বছৰ ● তিনিচুকীয়া, একবিংশতিতম বছৰ, সংখ্যা ৩৩৮ ● সোমবাৰ ● ১ ভাদ ● ১৯৪৭ শক ● DAINIK JANAMBHUMI ● Tinsukia ● Mond


## অৱসৰপ্ৰাপ্ত উপ-আৰক্ষী অধীক্ষক কামাখ্যা বৰঠাকুৰৰ মৃত্যু

টীয়ক ঃ নিজা প্ৰতিবেদক, ১৭ আগষ্ট ঃ টীয়কৰ জগদুৱাৰ ব্ৰাহ্মণ গাঁও নিৱাসী অৱসৰপ্ৰাপ্ত উপ-আৰক্ষী অধীক্ষক কামাখ্যা বৰঠাকুৰৰ(৭৮) স্বাস্থ্যজনিত কাৰণত গুৱাহাটীৰ ডাউন টাউন হস্পিটেলত আজি পুৱা মৃত্যু হয়। বিপদগ্ৰস্তৰ প্ৰতি যিকোনো মুহূৰ্তত সহায় আগবঢ়াই যোৱা কামাখ্যা বৰঠাকুৰ হৃদৰোগত আক্ৰান্ত হোৱা বাবে যোৰহাটৰ এখন ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল যদিও পৰৱৰ্তী সময়ত গুৱাহাটীলৈ লৈ যায়। তেওঁ শিৱসাগৰ বিদ্যুৎ বিভাগৰ উচ্চপদস্থ বিষয়া পুত্ৰ ৰাণা বৰঠাকুৰ, যুৱ ব্যৱসায়ী ৰাজা বৰঠাকুৰ আৰু

### বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ প্ৰতিষ্ঠা দিৱস পালন

## কনৌজ শইকীয়াক সংবাদিকতা বঁটা প্ৰদান

লাহোৱাল ঃ নিজা সংবাদদাতা, ১৭ আগষ্ট ঃ সমাজৰ মংগলৰ বাবে প্ৰহৰী হিচাপে দায়িত্ব পালন কৰিব লাগিব সাংবাদিকে। সামাজিক মাধ্যমত অপসংস্কৃতি বিয়পোৱা লোকৰ ওপৰত নজৰ দিয়াৰ দায়িত্বও সাংবাদিকৰ। — বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ একবিংশতিতম প্ৰতিষ্ঠা দিৱসত মুখ্য অতিথি হিচাপে উপস্থিত থাকি শক্তি মন্ত্ৰী প্ৰশান্ত ফুকনে এইদৰে কয়। ভাষণত ফুকনে ডিব্ৰুগড়ত এই সাংবাদিক সংগঠনটোৰ ভূমিকাৰ কথা উল্লেখ কৰি কয় যে সংগঠনটোৱে এক ব্যতিক্ৰমী যাত্ৰা অব্যাহত ৰাখিছে। দুৰ্যোগত সৰ্বস্বান্ত হোৱা লোকক বিভিন্ন অত্যাৱশ্যকীয় সামগ্ৰী বিতৰণ দৰে কাৰ্যসূচী তথা সামাজিক, সাংস্কৃতিক, ক্ৰীড়া, শৈক্ষিক আদি কাৰ্যসূচী গ্ৰহণ কৰি সমাজলৈ বাৰ্তা দি আহিছে। সম্পাদক ৰাতুল বুঢ়াগোহাঁয়ে আঁত ধৰা ডিব্ৰুগড় সাহিত্য সভা লক্ষ্মীনাথ বেজবৰুৱা ভৱনত অনুষ্ঠিত হোৱা বঁটা প্ৰদান, সম্বৰ্ধনা, অভিনন্দন জনোৱা আৰু মুকলি সভাত সাংবাদিক সংগঠনটোৱে প্ৰতি বছৰে প্ৰদান কৰি অহা শিক্ষাবিদ অশোক বৰগোহাঞিও সোঁৱৰণী সাংবাদিকতা বঁটা এইবাৰ ডিব্ৰুগড়ৰ লাহোৱালৰ অসমীয়া প্ৰতিদিন কাকতৰ জ্যেষ্ঠ সাংবাদিক কনৌজ শইকীয়াক প্ৰদান কৰা হয়। বঁটাত নগদ ধন, অংগবস্ত্ৰ, পিতলৰ জাপি, প্ৰশস্তি-পত্ৰ আৰু এটি স্মাৰক প্ৰদান কৰে বিশিষ্ট ব্যক্তিসকলে। বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মনজিৎ বৰাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখন উদ্বোধন কৰে সমাজকৰ্মী জ্যোতিপ্ৰসাদ কানৈয়ে। বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ একবিংশতিতম প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ মাজতে পত্ৰিকা



সম্পাদক যাদৱ গগৈয়ে আঁত ধৰা অনুষ্ঠানত বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ উপ-সভাপতি বিভাস দুৱৰাৰ পুত্ৰ শুভাংকৰ দুৱৰা আৰু বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ প্ৰতিষ্ঠাপক কাৰ্যকৰী সভাপতি ড° শশীকান্ত শইকীয়াৰ পুত্ৰ প্ৰিয়ানুজ শইকীয়াক অংগবস্ত্ৰ, পিতলৰ জাপি, স্মাৰকেৰে অভিনন্দন জনোৱা হয়। মুকলি সভাত বিশিষ্ট অতিথি হিচাপে জ্যোতি চিত্ৰবনৰ উপাধ্যক্ষ সুনীল ৰাজকোঁৱৰ, ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, ড° শশীকান্ত শইকীয়া, অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ সঞ্জীৱ কাকতী, ডিব্ৰুগড় পশ্চিম ৰাজহ চক্ৰৰ চক্ৰ বিষয়া সমুজ্জ্বল বৰা আদি উপস্থিত থাকে। অনুষ্ঠানত বিশিষ্ট অনাতাঁৰ শিল্পী ভুৱন গগৈ পৰিচালনাত দলীয় গীত, লোকবাদ্য সাধক জিতেন দাসৰ পৰিচালনাত দিহানাম আৰু নৃত্যগুৰু ৰবী গগৈ সন্দিকৈৰ পৰিচালনাত জনগোষ্ঠীয় দলীয় নৃত্য আৰু দেশপ্ৰেমমূলক নৃত্য প্ৰদৰ্শন কৰে। উদীয়মান গায়ক ৰতন গগৈয়ে কেইবাটাও গীত পৰিৱেশন কৰে।